**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬ বৰ্ষক আছিয়ান ভাৰত সামুদ্ৰিক সহযোগিতা বৰ্ষ হিচাপে ঘোষণা কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মুম্বাইত ভাৰত সামুদ্ৰিক সপ্তাহ ২০২৫ উদ্বোধন কৰিব।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি মালয়েছিয়াৰ কুৱালালামপুৰত ২০ সংখ্যক পূব এছিয়া সন্মিলনত ভাৰতক প্ৰতিনিধিত্ব কৰিব।

৪। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁট সভাৰ অষ্টম সত্ৰ আৰম্ভ হ'ব।

*আৰু*

৫। চতুৰ্থ ছাউথ এছিয়ান ছিনিয়ৰ এথলেটিকছ্ চেম্পিয়নশ্বিপত ভাৰতে ২০টা সোণসহ মুঠ ৫৮টা পদকেৰে চেম্পিয়নৰ খিতাপ দখল কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একবিংশ শতিকা ভাৰত আৰু আচিয়ানৰ শতিকা বুলি অভিহিত কৰিছে। মালয়েছিয়াত অনুষ্ঠিত আছিয়ান ভাৰত শীৰ্ষ সন্মিলনত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কালি কয় যে ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰীগোষ্ঠীয়ে বিশ্বৰ প্ৰায় এক চতুৰ্থাংশ জনসংখ্যাক প্ৰতিনিধিত্ব কৰে। তেওঁ কয়, যে ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহ অকল ভৌগলিকভাৱেহে সংযুক্ত নহয় বৰং ঐতিহাসিক সম্পৰ্ক আৰু উমৈহতীয়া প্ৰমূল্যৰ ডোলেৰে বান্ধ খাই আছে। শ্ৰীমোদীয়ে কয় যে বৰ্তমানৰ অনিশ্চয়তাৰে ভৰা এই সময়তো ভাৰত আছিয়ান সৰ্বাত্মক কৌশলগত সহযোগিতা ক্ৰমাৎ শক্তিশালী হৈ উঠিছে। তেওঁ কয় যে এই শক্তিশালী সম্পৰ্ক গোলকীয় সুস্থিৰতা আৰু বিকাশৰ বাবে শক্তিশালী ভেটিৰূপে পৰিগণিত হৈছে। ভাৰতে প্ৰতিটো বিপৰ্যয়ৰ সময়ত আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে দৃঢ়তাৰে থিয় দি আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে সামুদ্ৰিক বিপৰ্যয় ব্যৱস্থাপনা, সুৰক্ষা আৰু সামুদ্ৰিক অৰ্থব্যৱস্থাৰ ক্ষেত্ৰত সহযোগিতা দ্ৰুতভাৱে বৃদ্ধি পাইছে। তেওঁ লগতে ২০২৬ বৰ্ষক আছিয়ান ভাৰত সামুদ্ৰিক সহযোগিতা বৰ্ষ হিচাপে ঘোষণা কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মুম্বাইত ভাৰত সামুদ্ৰিক সপ্তাহ ২০২৫ উদ্বোধন কৰিব। বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে ভাৰতীয় বন্দৰ প্ৰাধিকৰণৰ সহযোগত পাঁচদিনীয়াকৈ আয়োজন কৰা এই সামুদ্ৰিক সপ্তাহত বহনক্ষম সামুদ্ৰিক বিকাশৰ বাবে ভাৰতৰ দৃষ্টিভংগী, বাণিজ্য সম্প্ৰসাৰণ আৰু নীলা অৰ্থনীতিৰ বিকাশৰ বিভিন্ন দিশ প্ৰদৰ্শন কৰা হ'ব। অনুষ্ঠানত সামুদ্ৰিক উদ্যোগ, নীতি নিৰ্মাতা, বিনিয়োগকাৰী, উদ্ভাৱক আৰু দেশী-বিদেশী অংশীদাৰসকলে অংশগ্ৰহণ কৰিব। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ

ফাড়নবিছ, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ ছাৱন্ত আৰু ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিও উপস্থিত থাকিব। এই ভাৰত সামুদ্ৰিক সপ্তাহত প্ৰদৰ্শনী, আলোচনা, বন্দৰ, জাহাজ পৰিবহণ আৰু সমুদ্ৰ পথেৰে সামগ্ৰীৰ পৰিবহণ বিষয়ত আলোকপাত কৰি মত বিনিময় অনুষ্ঠান আৰু সামুদ্ৰিক প্ৰযুক্তি সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। গোলকীয় সামুদ্ৰিক কেন্দ্ৰ হিচাপে ভাৰতৰ স্থিতি শক্তিশালী কৰা আৰু এই খণ্ডত সহযোগিতা, উদ্ভাৱন আৰু নীতি সম্পৰ্কীয় আলোচনাৰ প্ৰসাৰৰ লক্ষ্যৰে এই সামুদ্ৰিক সপ্তাহৰ আয়োজন কৰা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি মুম্বাইৰ মাজগাঁও বন্দৰত গভীৰ সমুদ্ৰত মাছ ধৰা অত্যাধুনিক জাহাজ বিতৰণ কৰিব। সমবায় ভিত্তিত গভীৰ সমুদ্ৰত মাছধৰাৰ ক্ষেত্ৰখনৰ বাবে ই ঐতিহাসিক মাইলৰ খুটিৰূপে পৰিগণিত হ'ব। এই কাৰ্যই মীন পালন খণ্ডত আত্মনিৰ্ভৰশীলতা, গতিশীলতা আৰু সমবায়সমূহক সৰলীকৰণৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে। মহাৰাষ্ট্ৰ চৰকাৰ, ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম আৰু কেন্দ্ৰীয় চৰকাৰৰ মীন পালন বিভাগৰ বিত্তীয় সাহায্যৰে প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ অধীনত এক কোটি ২০ লাখ টকা মূল্যৰ এই জাহাজসমূহ প্ৰদান কৰা হ'ব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি মালয়েছিয়াৰ কুৱালালামপুৰত ২০ সংখ্যক পূব এছিয়া সন্মিলনত ভাৰতক প্ৰতিনিধিত্ব কৰিব। এই সন্মিলনে বিশ্ব নেতাসকলক ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডত শান্তি, স্থিৰতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত অহা প্ৰত্যাহ্বানসমূহ সন্দৰ্ভত আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব। সন্মিলনত লগতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিকাশ সন্দৰ্ভত আলোচনা কৰা হ'ব। ড০ জয়শংকৰে কালি কুৱালালামপুৰত অনুষ্ঠিত ৪৭ সংখ্যক আছিয়ান সন্মিলনত ছিংগাপুৰৰ বিদেশমন্ত্ৰী ভিভিয়ান বালাকৃষ্ণনৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই গোলকীয় আৰু আঞ্চলিক বিষয়ত আলোচনা কৰাৰ উপৰি ভাৰত-ছিংগাপুৰ সহযোগিতা সুদৃঢ় কৰাৰ বাবে নতুন নতুন দিশ অন্বেষণ সন্দৰ্ভত আলোচনা কৰে। ড০ জয়শংকৰে আছিয়ান শীৰ্ষ সন্মিলনৰ সুযোগতে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতেও বৈঠকত মিলিত হয়। ইয়াৰ পূৰ্বে তেওঁ দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী ছু হ্যুনক সাক্ষাৎ কৰি ভাৰত-দক্ষিণ কোৰিয়া বিশেষ কৌশলগত অংশীদাৰিত্ব সুদৃঢ়কৰণৰ শলাগ লয়।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁট সভাৰ অষ্টম সত্ৰ আৰম্ভ হ'ব। চাৰিদিনীয়াকৈ আয়োজন কৰা এই সত্ৰত ১২৪ খন সদস্য ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিব। এই সত্ৰই গোলকীয় সমুদায়সমূহে একেলগে এটা উজ্বল আৰু বহনক্ষম ভৱিষ্যতৰ বাবে সৌৰশক্তি ব্যৱহাৰৰ প্ৰয়াস তথা সহযোগিতা সন্দৰ্ভত আলোচনাৰ সুযোগ প্ৰদান কৰিব। সদস্য ৰাষ্ট্ৰসমূহে সকলোৰে বাবে **সুলভ সৌৰশক্তি** দৃষ্টিভংগীৰ ক্ষেত্ৰত অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে ইয়াৰ প্ৰত্যাহ্বানসমূহৰ বিষয়ত আলোচনা কৰিব।

উল্লেখযোগ্য যে ভাৰতে নিৰ্ধাৰিত সময়ত ৫ বছৰ পূৰ্বেই অ-জীৱাশ্ম উৎসৰ পৰা ইয়াৰ মুঠ বিদ্যুৎ উৎপাদন ক্ষমতাৰ ৫০ শতাংশ লাভ কৰিবলৈ সমৰ্থ হৈছে। ভাৰত হৈছে বিশ্বৰ ভিতৰত তৃতীয় সৰ্ববৃহৎ সৌৰশক্তি উৎপাদনকাৰী দেশ আৰু নৱীকৰণযোগ্য শক্তি বিকাশৰ ক্ষেত্ৰত দ্বিতীয় সৰ্ববৃহৎ বজাৰ। প্ৰধানমন্ত্ৰী সূৰ্যঘৰ যোজনাৰ অধীনত ২০ লাখৰো অধিক লোকে তেওঁলোকৰ ঘৰৰ ছাদত সৌৰ পেনেল স্থাপন কৰি ইয়াৰ সুবিধা লাভ কৰিছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কালি ছেচেইলছৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনীৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে ছেচেইলছলৈ যোৱা উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনে দেশখনত মৰিচাচৰ প্ৰধানমন্ত্ৰী ড০ নবীনচন্দ্ৰ ৰামগোলামক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত দুয়োগৰাকী নেতাই ভাৰত আৰু মৰিচাচৰ মাজৰ ইতিহাস আৰু সংস্কৃতিৰ ক্ষেত্ৰত থকা শক্তিশালী আৰু দীৰ্ঘদিনীয়া সম্পৰ্কত আলোকপাত কৰে। তেওঁলোকে লগতে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ দিশ সন্দৰ্ভতো আলোচনা কৰে।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ছেচেইলছত থকা প্ৰবাসী ভাৰতীয় সকলক উদ্দেশি ভাষণ দিয়ে। তেওঁ কয়, যে ছেচেইলছ হৈছে **মহাসাগৰ** দৃষ্টিভংগীৰ উল্লেখযোগ্য অংশীদাৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰ্শনৰ কথা উল্লেখ কৰি শ্ৰীৰাধাকৃষ্ণনে কয়, যে এই পদক্ষেপে এখন মুক্ত আৰু সুৰক্ষিত ভাৰত মহাসাগৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে।

০০০০০

সমাগত বিহাৰ বিধানসভা নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ বাবে ৪৮ ঘণ্টীয়া মৌনতাৰ সময়ছোৱাত নিৰ্বাচনী বিষয় প্ৰদৰ্শন আৰু মতামত সমীক্ষা নিষিদ্ধ কৰাৰ বাবে নিৰ্বাচন আয়োগে সকলো প্ৰচাৰ মাধ্যম কৰ্তৃপক্ষলৈ পৰামৰ্শ জাৰি কৰিছে। আয়োগে কয়, যে টিভি, ৰেডিঅ', চেনেল আৰু কেব'ল নেটৱৰ্কসমূহে এই কথা নিশ্চিত কৰিব লাগিব যাতে এই মাধ্যমসমূহৰ জৰিয়তে ৪৮ ঘণ্টীয়া মৌনতাৰ সময়ছোৱাত প্ৰচাৰ কৰা অনুষ্ঠানসমূহৰ বিষয়বস্তুত কোনো বিশেষ দল বা প্ৰাৰ্থীৰ বিজয় সম্ভাৱনা প্ৰচাৰ কৰা বা নিৰ্বাচনৰ ফলাফলত প্ৰভাৱ পেলাব পৰা ধৰণৰ কোনো উপাদান নাথাকে। নিৰ্বাচন আয়োগে যোৱা ৬ অক্টোবৰত বিহাৰ বিধানসভা নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছিল। সেই অনুসৰি অহা ৬ আৰু ১১ নৱেম্বৰত দুটা পৰ্যায়ত এই নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৬ নৱেম্বৰৰ পুৱা ৭ বজাৰ পৰা ১১ নৱেম্বৰৰ সন্ধিয়া চাৰে ৬ বজাৰ ভিতৰত মতামত সমীক্ষা অনুষ্ঠিত কৰা আৰু ছপা বা বৈদ্যুতিন মাধ্যমৰ জৰিয়তে সেইসমূহ প্ৰচাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০

ৰাঁচীৰ বীৰচা মুণ্ডা ষ্টেডিয়ামত অনুষ্ঠিত চতুৰ্থ ছাউথ এছিয়ান ছিনিয়ৰ এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতে চেম্পিয়নৰ খিতাপ দখল কৰি আঞ্চলিক এথলেটিকত আধিপত্য পুনৰ নিশ্চিত কৰে। কালি সমাপ্ত হোৱা প্ৰতিযোগিতাখনত ভাৰতে ২০টা সোণসহ মুঠ ৫৮টা পদকেৰে শীৰ্ষস্থানত থকাৰ বিপৰীতে ১৬টা সোণসহ মুঠ ৪০টা পদকেৰে শ্ৰীলংকা দ্বিতীয় স্থানত থাকে। দুটা ৰূপ আৰু ৪টা ব্ৰঞ্জৰ পদকেৰে নেপাল তৃতীয় স্থানত থকাৰ লগতে বাংলাদেশ আৰু মালদ্বীপ ক্ৰমে চতুৰ্থ আৰু পঞ্চম স্থানত থাকে। ভূটানে এই প্ৰতিযোগিতাত এটাও পদক নোহোৱাকৈ অভিযান সামৰে।

০০০০০

সমাপ্ত